# একতাত শক্তি আছে

এজন মানুহৰ পাঁচজন পুত্ৰ আছিল। তেওঁলোকক যত্ন কৰাত চেষ্টা কৰিছিল। তেওঁলোকক ভালদৰে লালন-পালন কৰিছিল। তেওঁলোকৰ অন্তৰত সুচৰিত্ৰ ৰোপন কৰাৰ বাবে তেওঁ আগ্ৰহী আছিল। দেউতা যেতিয়া বৃদ্ধ হৈছিল আৰু তেওঁৰ জীৱনৰ অন্তিম সময় ওচৰ চাপি অহা বুলি অনুভৱ কৰিছিল তেতিয়া তেওঁ নিজৰ পাঁচ পুত্ৰক এক লগ কৰিছিল আৰু তেওঁলোকক এবোজা লাঠি আনিবলৈ কৈছিল গতিকে তেওঁলোকে দেউতাৰ আদেশ পালন কৰিছিল আৰু এটা বোজা লৈ আহিছিল। তাৰ পিছত নিজৰ পুত্ৰৰ প্ৰত্যেককেই বোজাটো ভাঙিবলৈ কৈছিল। কিন্তু তেওঁলোকে তাৰ কোনো উপায় পোৱা নাছিল আৰু তাক ভাঙিবলৈ সক্ষম হোৱা নাছিল। কাৰণ ই যুগাত্মক হৈ প্ৰবল হৈ আছিল। তাৰ পিছত দেউতাই বোজাটো লৈছিল আৰু তাৰ গাঁঠিটো খুলি দি লাঠিবোৰ পৃথক কৰিদিছিল। তেওঁ নিজৰ পুত্ৰ সকলক পৃথক কৰা লাঠিবোৰ ভাঙিবলৈ কৈছিল গতিকে তেওঁলোকে সহজেই ভাঙিছিল আৰু কোনো ধৰণৰ জটিলতা পোৱা নাছিল।

ইয়াৰ পিছত দেউতাই নিজৰ পুত্ৰ সকলক কৈছিলঃ এইটো হ'ল মোৰ এটা প্ৰয়োগিক উদাহৰণ ইয়াৰ দ্বাৰা মই একতাৰ গুণ, সহায় সহযোগিতাৰ সুফল, পৃথকতাৰ খতি আৰু অকল সৰীয়াৰ কুফল ব্যাখ্যা কৰিবলৈ ইচ্ছা কৰিছোঁ। যদি তোমালোকে একতাৰে থকা, ইজনে সিজনক সহায় কৰা আৰু তোমালোক এখন হাতৰ দৰে হৈ যোৱা তেন্তে কোনেওঁ তোমালোকক খতি কৰিব নোৱাৰিব, পৰাজয় কৰিব নোৱাৰিব আৰু তোমাৰ শক্তিক পৰাস্ত কৰিব নোৱাৰিব। তোমালোক এটা বোজাৰ দৰে হৈ যাবা যাক তোমালোকৰ কোনেওঁ ভাঙিব পৰা নাই। আৰু যদি তোমালোক বিভক্ত হৈ যোৱা, ইজনে সিজনৰ পৰা আতৰ হৈ যোৱা আৰু পৃথক হৈ যোৱা তেন্তে তোমালোক পৃথক হৈ যোৱা লাঠিৰ দৰে হৈ যাবা তুমি সহজে ভাঙি যাবা আৰু তুমি দুৰ্বল হৈ যাবা। তোমালোকৰ শত্ৰুয়ে তোমালোকক দাস বনাবলৈ আৰু নিজৰ লক্ষ্য উপনীত হ'বলৈ সক্ষম হ'ব।